# 2025

## ASSAMESE

## ( Minor )

Paper : ASS0500504

( অসমীয়া নাটক )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) 'গীদাল' বা 'গীতাল' চৰিত্ৰটো কোন লোক-নাট্যানুষ্ঠানত দেখা যায়?

(খ) 'ধৰ্মোদয়' নাটখন কোন ভাষাত ৰচিত?

(গ) শংকৰদেৱে শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

(ঘ) 'কানিয়াৰ কীৰ্ত্তন' নামৰ নাটকখনৰ ৰচক কোন?

(ঙ) গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটখন পোনতে কোনখন আলোচনীত চোৰা চোৰাকৈ প্ৰকাশ পাইছিল?

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি?

(ছ) পাৰিজাত ফুল কোন দেৱতাৰ উদ্যানত আছিল?

(জ) 'হনুমান সাগৰ বান্ধা চাঁউ' নাটখনৰ উপস্থাপনৰ শৈলী কি?

২। চমুকৈ উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) অসমৰ দুটা প্ৰচীন লোক-নাট্যানুষ্ঠানৰ নাম লিখা।

(খ) অসমৰ ভ্ৰাম্যমাণ নাটকৰ জন্মদাতা বুলি কাক কোৱা হয়? তেওঁ অসমৰ কোন অঞ্চলৰ ব্যক্তি?

(গ) 'জন্মযাত্ৰা' নাটৰ দুটি চৰিত্ৰৰ নাম লিখা।

(ঘ) অংকীয়া নাটত ব্যৱহাৰ হোৱা দুটা ভটিমাৰ নাম উল্লেখ কৰা।

(ঙ) দেৱৰাজ ইন্দ্ৰৰ মাতৃ আৰু পত্নীৰ নাম কি?

(চ) মাধৱদেৱে ৰচনা কৰা দুখন ঝুমুৰাৰ নাম লিখা।

(ছ) গোপাল আতাৰ জন্ম কোন চনত হৈছিল আৰু তেওঁ প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ শাখাটোৰ নাম কি?

(জ) 'ৰাম-নৱমী' নাটৰ নায়িকা নৱমীৰ সখীয়েক দুগৰাকীৰ নাম কি আছিল?

(ঝ) অৰুণ শৰ্মাই ৰচনা কৰা দুখন অনাতাঁৰ নাটৰ নাম লিখা।

(ঞ) প্ৰমোদ দাসৰ 'হনুমান সাগৰ বান্ধা চাঁউ' নাটখনৰ মাজেৰে প্ৰকাশ পোৱা মূল ভাবনা দুটা কি কি?





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বাটৰ নাট

(খ) ওজাপালি অনুষ্ঠান

(গ) অংকীয়া নাটৰ সূত্ৰধাৰ

(ঘ) অগ্নিগড়

(ঙ) 'ৰাম-নৱমী' নাটৰ ভাষা

(চ) সুন্দৰ কোঁৱৰ

(ছ) অসমীয়া অনাতাঁৰ নাট

(জ) 'হনুমান সাগৰ বান্ধা চাঁউ' নাটৰ কলা-কৌশল

৪। তলৰ যি কোন দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমৰ প্ৰচীন লোক-নাট্যানুষ্ঠানসমূহৰ বিষয়ে এটি বিশ্লেষণধৰ্মী আলোচনা আগবঢ়োৱা।

(খ) অংকীয়া নাট আৰু সংস্কৃত নাটৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰা।

(গ) প্ৰথম অসমীয়া সামাজিক নাটক হিচাপে 'ৰাম-নৱমী' নাটৰ ঐতিহাসিক গুৰুত্ব পৰ্যালোচনা কৰা।

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ "'কাৰেঙৰ লিগিৰী' এক যুগান্তকাৰী সৃষ্টি"—এই উক্তিৰ আলমত নাটকখনৰ সন্দৰ্ভত এক প্ৰশংসামূলক নিবন্ধ যুগুত কৰা।

(ঙ) অৰুণ শৰ্মাৰ 'আহাৰ' নাটখনিত এবছাৰ্ড নাটকৰ কি কি লক্ষণ প্ৰকাশ পাইছে, বহলাই আলোচনা কৰা।

***